অধ্যায় ১৩ঃ ধর্ম নিৰপেক্ষতা— ইয়াৰ প্ৰকৃতি, ভাৰতত ধর্মনিৰপেক্ষতা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ধর্মনিৰপেক্ষতাৰ অর্থ

১৩.৪ ধর্মনিৰপেক্ষতাৰ বিষয়ক দৃষ্টিভংগী

১৩.৫ ধর্মনিৰপেক্ষতাৰ বিষয়ক চিন্তা

১৩.৬ ধর্মনিৰপেক্ষতাৰ বিভিন্ন আর্হি

১৩.৬.১ ধর্মনিৰপেক্ষতাৰ পশ্চিমীয়া আর্হি

১৩.৬.২ ধর্মনিৰপেক্ষতাৰ ভাৰতীয় আর্হি

১৩.৭ ভাৰতীয় সংবিধানত ধর্মনিৰপেক্ষতা

১৩.৮ ধর্মনিৰপেক্ষতা আৰু ভাৰতত ধর্ম

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১০ অধিক জানিবলৈ

১৩.১১ অগ্রগতিৰ খতিয়ান

১৩.১২ আর্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ধর্মনিৰপেক্ষতাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ধর্মনিৰপেক্ষতা সম্পর্কে বিভিন্ন চিন্তাবিদে আগবঢ়োৱা দৃষ্টিভংগীবোৰ আলোচনা কৰিব পাৰিব
- ধর্মনিৰপেক্ষতাৰ ভাৰতীয় আৰু পশ্চিমীয়া দেশবোৰৰ আর্হি আলোচনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানে আগবঢ়োৱা ধর্মনিৰপেগুতাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত ধর্মনিৰপেক্ষতা আৰু ধর্মৰ মাজত থকা সম্পর্ক আলোচনা কৰিব পাৰিব

১৩.২ পৰিচয়

ধর্মনিৰপেক্ষতাবাদে এই কথা বিশ্বাস কৰে যে ধর্মই চৰকাৰ শিক্ষা নাইবা সমাজৰ আন কোনো ৰাজহুৱা দিশতেই কোনো ভূমিকা পালন কৰিব নালাগে। ধর্মনিৰপেক্ষতাবাদ হ'ল ধর্মৰ প্রতি উদাসীন অথবা ধর্ম অগ্রাহ্যকাৰী অথবা ধর্মক আঁতৰত ৰখা এটা চিন্তা। ই ধর্মৰ অগ্রাহ্যকাৰী

অথবা ধর্মক আঁতৰত ৰখা এটা চিন্তা। ই ধর্মৰ লগতে ধর্মীয় বিবেচনাকো ৰাজহুৱা দিশবোৰৰ পৰা নিলগাই ৰাখে। ধর্মনিৰপেক্ষতাই পক্ষপাতিত্বহীনতাৰ পোষকতা কৰে। ই কোনো এখন ৰাষ্টস্তুৰৰ প্ৰতিটো ধর্মাৱলম্বী লোককে সমান অধিকাৰ আৰু সামাজিক প্ৰস্থিতি প্ৰদানত বিশ্বাসী। ধর্মনিৰপেক্ষতাই সমাজক ধর্মীয় অনুষ্ঠান আৰু প্ৰতীকবোৰৰ আধিপত্যৰ পৰা মুক্ত কৰিব পাৰে। এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি ধর্মনিৰপেক্ষতাৰ অর্থ, বিভিন্ন দৃষ্টিভংগী, বিভিন্ন আর্হি আৰু ভাৰতত ধর্মৰ সৈতে ইয়াৰ সম্পর্ক আলোচনা কৰিব পাৰিব।

১৩.৩ ধর্মনিৰপেক্ষতাৰ অর্থ

ধর্মনিৰপেক্ষতা হ'ল সেইটো নীতি যিটোৱে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰিক প্ৰতিনিধিত্ব কৰা ব্যক্তিক ধর্মীয় অনুষ্ঠানৰ প্ৰভাৱৰ পৰা পৃথক কৰাৰ কথা কয়। ধর্মনিৰপেক্ষতাৰ এটা অর্থই মানুহৰ ধর্মীয় নীতি-নিয়ম আৰু শিক্ষাৰ পৰা নিজকে মুক্ত কৰিবলৈ থকা অধিকাৰৰ কথা বুজায়। ধর্মনিৰপেক্ষতা মানে হ''ল বিশ্বাসকেন্দ্রিক বিষয়বোৰত ৰাষ্ট্রই গ্রহণ কৰা নিৰপেক্ষ নীতি। এনে দেশৰ চৰকাৰে নিজৰ নাগৰিকক ধর্ম আৰু ধর্মীয় অনুশীলন বলপূর্বক জাপি নিদিয়ে। ধর্ম নিৰপেক্ষতাবাদৰ আন এক অর্থত এই মত পোষণ কৰে যে ৰাজহুৱা কার্যকলাপ আৰু সিদ্ধান্তবোৰ, বিশেষকৈ ৰাজনৈতিক সিদ্ধান্তবোৰ সকলো ধৰণৰ ধর্মীয় বিশ্বাস অথবা অনুশীলনৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা উচিত।

১৮৫১ চনত পোন প্ৰথমবাৰৰ বাবে ধর্মনিৰপেক্ষতাৰ সমার্থক ইংৰাজী শব্দ 'Secularism' ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ মূল হ'ল লেটিন শব্দ 'Saeculum'। ইয়াৰ অর্থ হ'ল 'প্ৰজন্ম' (generation) অথবা 'যুগ' (age)। সাধাৰণভাৱে ই 'এই জীৱনৰ অংগাংগী কথাবোৰ; ইয়াতেই এইমূহুর্ততে, এই পৃথিৱীতে ঘটা কথাবোৰ'ক বুজায়। শব্দটো সেই আদর্শটোৰ কথা বুজাবলৈ বহুলভাৱে ব্যৱহাৰ কৰা হয় যিটোৱে কোনো ঐশ্বৰিক শক্তিৰ উল্লেখ নকৰাকৈ সমসাময়িক সমাজখনক গঢ় দিয়ে।

১৩.৪ ধর্মনিৰপেক্ষতা বিষয়ক দৃষ্টিভংগী

ধর্মনিৰপেক্ষতাবাদে জন লক, থ'মাচ জেফার্চন, ৰেবাৰ, পিটাৰ বার্জাৰ আদিৰ দৰে গ্রীক আৰু ৰোমান দার্শনিকসকলৰ পৰা মূলতঃ ইয়াৰ বৌদ্ধিক ভেটিটো গঢ়ি তুলিছে।

জেফার্চনে ধর্মীয় স্বাধীনতাৰ বিধান ৰচনা কৰিছিল। ইয়াৰ প্ৰস্তাৱনাত কোৱা হৈছে যে পৃথিৱীৰ অধিকাংশ অঞ্চলতেই ৰাষ্ট্রীয় ধর্ম হ'ল একো একোটা ভুৱা ধর্ম মাত্র আৰু সকলো সময়তে ই ধর্ম নিয়ন্ত্রিত ৰাষ্ট্রবোৰ (Church State)ৰ দ্বাৰা পৰিচালিত। মানুহে বিশ্বাস নকৰা মতামত এটাৰ প্ৰচাৰৰ বাবে বিত্তীয় অৰিহণা আগবঢ়াবলৈ মানুহক বাধ্য কৰোৱাটো এটা পাপ আৰু স্বৈৰাচাৰী কার্য।

১৩.৫ ধর্মনিৰপেক্ষতা বিষয়ক চিন্তা

জর্জ জেক'বহোলিঅ'কি, পিটাৰ বার্জাৰ আৰু মেক্স ৱেবাৰৰ দৰে দার্শনিক চিন্তাবিদে ধর্মনিৰপেক্ষতা বিষয়ক চিন্তা-চর্চাৰ অগ্রগতিত প্রভূত বৰঙণি আগবঢ়াই থৈ গৈছে।

ধর্মনিৰপেক্ষতাবাদ বুজোৱা ইংৰাজী অভিধা ('Secularism') জনক হ'ল জ'র্জ জেকচ্ব হোলিঅ'কি। নিজৰ ধমীয় বিশ্বাসক পোনে পোনে নস্যৎ অথবা সমালোচনা নকৰাকৈ ধর্মৰ পৰা পৃথক এটা সামাজিক শৃংখলাৰ পৃষ্ঠপোষকতাকাৰ দৃষ্টিভংগীবোৰ বর্ণনা কৰিবলৈ হোলিঅ'কিয়ে এই অভিধাটো ব্যৱহাৰ কৰিছিল। এগৰাকী ঈশ্বৰ অবিশ্বাসী ব্যক্তি হিচাপে হোলিঅ'কিয়েএই যুক্তি প্রদর্শন কৰিছিল যে "ধর্মনিৰপেক্ষতাবাদ খৃষ্টান ধর্মৰ বিৰুদ্ধে উত্থাপন কৰা যুক্তি নহ? ধর্মনিৰপেক্ষতা খৃষ্টান ধর্মৰ পৰা মুক্ত। ধর্মনিৰপেক্ষতাই এই কথা নকয় যে ক'ৰবাত সৰগীয় দ্যুতি অথবা দিক্‌নির্দেশনা নাই। কিন্তু ধর্মনিৰপেক্ষ সত্যতো এক জেউতি আৰু দিক্ নির্দেশনা থাকে। ধর্মনিৰপেক্ষতাৰ চর্ত আৰু বাধা-নিষেধবোৰৰ স্বতন্ত্র অস্তিত্ব আছে আৰু এইবোৰ সর্বকালৰ বাবে কার্যকৰী হৈ থাকে। ধর্মনিৰপেক্ষ জ্ঞান হ'ল এই জীৱনত লাভ কৰা জ্ঞানৰ এক নিদর্শন। এই জ্ঞানে আমাক এই জীৱনটো কেনেদৰে আগবঢ়াই নিয়া উচিত, এই জীৱনটোৰ কল্যাণৰবাবে কোনবোৰ কথা অনুকূল সেই কথাত দিক্‌নির্দেশনা প্রদান কৰে। এই জীৱনৰ অভিজ্ঞতাবোৰৰ দ্বাৰা আমি ধর্মনিৰপেক্ষতাৰ জ্ঞানবোৰ পৰীক্ষা কৰিও চাব পাৰোঁ।"

পিটাৰ বার্জাৰৰ মতে ধর্ম নিৰপেক্ষতা হ'ল এনে এটা প্রক্রিয়া যিটোৰ দ্বাৰা সমাজ আৰু সংস্কৃতিৰ ক্ষেত্র দুখনক ধর্মীয় অনুষ্ঠান তথাপ্রতীকৰ আধিপত্যৰ পৰা আঁতৰাই ৰখা হয়। বার্জাৰে এই মত আগবঢ়াইছিল যে আধুনিক সংযোগ ব্যৱস্থাৰ বিকাশৰ লগে লগে মানুহৰ সামাজিক আৰু ভৌগলিকগতিশীলতাও বৃদ্ধি হৈছে। এই কথাই মানুহক ধর্মীয় প্রভাৱৰ দ্বৈততাৰ সন্মুখীন কৰাইছে। এনেকৈয়ে মানুহে পৰস্পৰৰ বিশ্বাসৰ প্রতি সহিষ্ণুতা প্রদর্শন কৰিবলৈ শিকিছে।

ৱেবাৰে ধর্মনিৰপেক্ষতাবাদক যুক্তিসংগতকৰণৰ প্রক্রিয়া বুলি গণ্য কৰিছিল। কোনো এক প্রদত্ত ফলাফলত উপনীত হ'বলৈ ব্যৱহৃত নীতিটো বিজ্ঞানসন্মত অথবা যুক্তিসংগত চিন্তাৰ ভেটিত গঢ় ল'ব লাগিব। এই চিন্তাই ধর্মক গৌণস্থান দিব।

১৩.৬ ধর্মনিৰপেক্ষতাৰ বিভিন্ন আর্হি

ধর্মনিৰপেক্ষতাৰ বিভিন্ন আহি আছে। তলত সেইবোৰ বর্ণনা কৰা হ'ল—

১৩.৬.১ ধর্মনিৰপেক্ষতাৰ পশ্চিমীয়া আর্হি

ধর্মনিৰপেক্ষতাৰ পশ্চিমীয়া আর্হিটো হ'ল এটা অতি গৰুত্বপূর্ণ সংস্থাপিত উদাৰবাদী দৃষ্টিভংগী (Classical liberal view)। এই আর্হিটোৰ মতে মানুহৰ বিভিন্ন ধৰণৰ মূল্যবোধ

থাকিব পাৰে। ৰাষ্ট্ৰই কোনো এটা বিশেষ ধাৰণাৰ পোষকতা অথবা সুৰক্ষা প্ৰদান কৰা অনুচিত। ধর্মও হ'ল এটা ব্যক্তিগত মূল্যবোধ। ৰাষ্ট্ৰই কোনো ব্যক্তিৰ ধর্মক অন্য ব্যক্তিয়ে কৰা সমালোচনাবোৰক কোনো সূৰক্ষা প্ৰদান নকৰে।

পশ্চিমীয়া ধর্মনিৰপেক্ষতা আৰ্হিটোৱে ৰাজনৈতিক অনুষ্ঠানআৰু ধর্মক পৰস্পৰৰ পৰা পৃথক কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব দিয়ে। এনে পৃথকীকৰণ হ'ল এক সম্পূর্ণ পৃথকীকৰণ। ইয়াত ৰাষ্ট্ৰই কোনো কাৰণতে কোনো ধৰণে ধর্মীয় কথাত হস্তক্ষেপ নকৰে।

১৩.৬.২ ধর্মনিৰপেক্ষতাৰ ভাৰতীয় আৰ্হি

ভাৰতীয় ধর্মনিৰপেক্ষতা হ'ল দুর্বলভাৱে সংজ্ঞাৱদ্ধ বিভ্ৰান্তি সৃষ্টিকাৰী এমুঠিমান ধাৰণাৰ সমষ্টি। এই ধাৰণাবোৰ মূলতঃ কিছুমান অশুদ্ধ ধাৰণা।

ভাৰতীয় ধর্মনিৰপেক্ষতা আৰ্হিটো পশ্চিমীয়া ধর্মনিৰপেক্ষতা আৰ্হিটোতকৈ মৌলিকভাৱে পৃথক। ভাৰতীয় আহিটোৱে ধর্ম নিয়ন্ত্ৰত ৰাষ্ট্ৰৰ পৰা অন্য ৰাজহুৱা দিশবোৰ পৃথক কৰাৰ লগতে আন্তঃ-ধর্মীয় সমত্যৰ ধাৰণাটোৰ পোষকতা কৰে।

নেহৰুৰ মতে ধর্মনিৰপেক্ষতাৰ অর্থ হ'ল, "ৰাষ্ট্ৰই সকলো ধর্মৰ লোককে প্ৰদান কৰা সমান সুৰক্ষা।" তেওঁৰ বাবে ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ মানে হ'ল সেইখনৰাষ্ট্ৰ যিখেনে "সকলো ধর্মকে সুৰক্ষা প্ৰদান কৰে কিন্তু এটাধর্মৰ ক্ষতি কৰি আন এটা ধর্মক অগ্ৰাধিকাৰ নিদিয়ে আৰু কোনো ধর্মকে ৰাষ্ট্ৰীয় ধর্মৰূপে গ্ৰহণ নকৰে।"

ভাৰতত ধর্মনিৰপেক্ষতাবাদে বিভিন্ন সম্প্ৰদায়ৰ মাজত সমতা স্থাপনত মনোনিৱেশ কৰে যাতে পদানুক্ৰমিক শৃংখলাৰে গঠিত ৰাষ্ট্ৰখনৰ ঠাইত একন ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব পৰা যায়।

ভাৰতীয় সমাজত ধর্মীয় বৈচিত্ৰ্য বিদ্যামান। এই কথাটোৰ পৰাই বিভিন্ন আন্তঃক্ৰিয়াৰ ফলাফল হিচাপে এক সুকীয়া ৰূপ লৈ ভাৰতীয় ধর্মনিৰপেক্ষতাৰ উত্থান ঘটিছে। ধর্মনিৰপেক্ষতাৰ ধাৰণাটো পশ্চিমীয়া দেশবোৰৰ পৰা আহি ভাৰতত প্ৰৱেশ কৰিছো। ইয়াৰ ফলতেই অন্তর্ধর্মীয় আৰু আন্তঃধর্মীয় ক্ষেত্ৰবোৰত সমান মনোযোগ দিব পৰা গৈছে।

১৩.৭ ভাৰতীয় সংবিধানত ধর্মনিৰপেক্ষতা

লিখিত সংবিধানে ভাৰতক এখন ধমৰ্নিৰপেক্ষ ৰাষ্ট্ৰত পৰিণত কৰিছে। সংবিধানৰ এই ঘোষণাক সন্মান জনোৱাটো প্ৰতিগৰাকী ভাৰতীয়ৰে কর্তব্য।

ভাৰতৰ বাসিন্দাসকলে মানি চলা বৈচিত্র্যময় ধর্মীয় বিশ্বাসবোৰ মনত ৰাখি ভাৰত গঢ়োতাসকলে গভীৰভাৱে অনুধাৱন কৰিছিল যে ভাৰত এখন ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ হোৱা উচিত। সেয়েহে সংবিধান প্ৰস্তুত কৰি থকাৰ সময়ত ইয়াত এনে কিছুমান নীতি-নিয়ম সন্নিৱিষ্ট কৰি গৈছিল যিবোৰে অবিসম্বাদী ৰূপত ভাৰতৰ ধর্মনিৰপেক্ষ বৈশিষ্ট্যটো প্ৰতিষ্ঠিত কৰিছিল। মৌলিক সংবিধানখনত 'ধর্মনিৰপেক্ষ' শব্দটো লিখা হোৱা নাছিল যদিও ১৯৭৬ চনতহোৱা সংবিধান সংশোধনীৰ সময়ত প্ৰস্তাৱনাত এই শব্দটো যোগ দি ভাৰতৰ ধর্মনিৰপেক্ষ বৈশিষ্ট্যটো স্পষ্ট কৰি দিয়া হৈছিল।

সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ সময়ত প্ৰস্তাৱনাত 'ধর্মনিৰপেক্ষ' শব্দটো যোগ দিয়া হৈছিল। ইয়াক ভাৰতীয় গণতন্ত্ৰৰ এটা গৌৰৱোজ্বল সাফল্য বুলি ধৰা হয়। ভেংকটৰমনৰ মতে, "তেতিয়াই এখন ৰাষ্ট্ৰক ধর্মনিৰপেক্ষ বোলা হয়, যেতিয়া ৰাষ্ট্ৰখনে ধর্মীয়, নাইবা অ-ধর্মীয়, নাইবা ধর্ম বিৰোধী কোনটো বৈশিষ্ট্য প্ৰকট নকৰে কিন্তু ধর্মীয় ৰীতি-নীতি আৰু কার্যকলাপৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ থাকি ধর্মীয় বিষয়বোৰত নিৰপেক্ষ স্থিতি গ্ৰহণ কৰে। ভাৰতৰ ধর্মনিৰপেক্ষ বৈশিষ্ট্যটো প্ৰথমে সংবিধানত অন্তর্নিহিত ৰূপত আছিল যদিও ছ্ছ্চ সংখ্যক সংশোধনীয়ে ইয়াক এক সুস্থষ্টৰূপ দিছিল। ভাৰতত ধর্মনিৰপেক্ষতাৰ প্ৰচলনআছে। দেশৰ নাগৰিকে সকলো লোক আৰু ধর্মকে সন্মান কৰে।

১৩.৮ ধর্মনিৰপেক্ষতা আৰু ভাৰতত ধর্ম

ধর্মই ইয়াৰ কার্য্যৱলীৰ যোগেদি মানুহৰদৈনন্দিন কার্যকলাপ তথা সমাজত অবিৰতভাৱে এক প্ৰধান ভূমিকা পালন কৰি আহিছে। কিন্তু বিজ্ঞানসন্মত জ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ ঘটাৰ লগে লগে ধর্মৰ ব্যাপকতা কিছু সংকুচিত হৈ পৰিছে। বহুতো ধর্মীয় কার্যকলাপ এতিয়া ধর্মীয় অনুষ্ঠানবোৰে সম্পাদন কৰে। প্ৰযুক্তিৰ দিশেৰে অনুন্নত দেশবোৰত এতিয়াও পার্থিৱ লাভালাভৰ বাবে অতিপ্ৰাকৃতিক শক্তিবোৰক সন্তুষ্ট কৰিবলৈ বহুল ভাৱে ধর্মীয় বিধি বিধান আৰু প্ৰতীকি কার্য সম্পাদন কৰা হয়।

ধর্মনিৰপেক্ষতাৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে ভাৰততো সামাজিক কার্যকলাপৰ প্ৰয়োজন থকা বিভিন্ন ক্ষেত্ৰত ধর্মই ইয়াৰ নিয়ন্ত্ৰণ হেৰুৱাইছে। অর্থনীতি, ব্যৱসায়-বাণিজ্য, শিক্ষা, চিকিৎসা আদি ক্ষেত্ৰত ধর্মৰ কোনো নিয়ন্ত্ৰণ নাই। ধর্ম অনুশীলন কৰা বহুতো পৰম্পৰাগত উৎসৱ-অনুষ্ঠানৰ নিয়ন্ত্ৰণ ধর্মনিৰপেক্ষ অনুষ্ঠানৰ হাতলৈ গুছি গৈছে।

সমাজভেদে ধর্মনিৰপেক্ষতাৰ ৰূপ বেলেগ বেলেগ। ভাৰতে অৱশ্যে ধর্মৰ পৰম্পৰাগত কার্য্যৱলী সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পৰা বৈচিত্র্যময় ধর্মনিৰপেক্ষ অনুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত ব্যর্থতাৰ পৰিচয় দিছে। সেয়েহে দেশখন এতিয়াও সাম্প্ৰদায়িক প্ৰকৃতিৰ হৈ আছে আৰু ইয়াত বিভিন্ন ধর্মীয় বিশ্বাস অবিৰতভাৱে প্ৰচলিত হৈ আছে।



অগ্রগতি নিৰীক্ষণ

১। ধর্মনিৰপেক্ষতাবাদে কি বিশ্বাস কৰে?

২। ধর্মনিৰপেক্ষাতাই.....ৰ কথা কয় (খালী ঠাই পূৰণ কৰক)।

৩। ধর্মনিৰপেক্ষতাৰ অভিধাটোৱে কি বুজায়? (প্ৰায় ৪০ টা শব্দত উত্তৰ দিয়ক)

৪। ক'ৰ পৰা ধর্মনিৰপেক্ষতাবাদে ইয়াৰ বৌদ্ধিক ভেটিটো লাভ কৰিছে?

৫। ধর্মনিৰপেক্ষতাৰ এটা সংজ্ঞা দিয়ক।

৬। ধর্মনিৰপেক্ষতাৰ আৰ্হি দুটা কি কি?

৭। তলৰ উক্তিবোৰ শুদ্ধনে অশুদ্ধ কওক-

(ক) ধর্মনিৰপেক্ষতাবাদৰ পশ্চিমীয়া আৰ্হি অনুসৰি ৰাজনৈতিক অনুষ্ঠান আৰু ধর্ম দুটা পৃথক কথা হোৱা উচিত।

(খ) ধর্মনিৰপেক্ষতাবাদৰ ভাৰতীয় আৰ্হি পশ্চিমীয়া ধর্মনিৰপেক্ষতাবাদৰ আৰ্হিটোতকৈ মৌলিকভাৱে পৃথক।

(গ) ১৮৯১ চনত 'Secularism' অভিধাটো পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

(ঘ) ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে ভাৰতীয় সংবিধানত ধর্মনিৰপেক্ষতাবাদৰ বৈশিষ্ট্যটোৰ স্পষ্ট ৰূপত সংযোজন ঘটোৱাহৈছিল।

৮। ভাৰত এখন ধর্মনিৰপেক্ষ দেশ হয়নে?(প্ৰায় ২০ টা শব্দত উত্তৰ দিয়ক)

৯। ভাৰতীয় সংবিধানৰ কিমান সংখ্যক সংশোধনীত 'ধর্মনিৰপেক্ষ' শব্দটো উল্লেখ কৰা হৈছে?

১০। ধর্মনিৰপেক্ষতাৰ প্ৰক্ৰিয়াটো কিয় আৰম্ভ হৈছিল?



১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধর্মনিৰপেক্ষতাবাদে এই কথা বিশ্বাস কৰে যে ধর্মই চৰকাৰ শিক্ষা নাইবা সমাজৰ আন কোনো ৰাজহুৱা দিশতেই কোনো ভূমিকা পালন কৰিব নালাগে।
- ধর্মনিৰপেক্ষতাই পক্ষপাতিত্বহীনতাৰ পোষকতা কৰে। ই কোনো এখন ৰাষ্টস্তৰৰ প্ৰতিটো ধর্মাৱলম্বী লোককে সমান অধিকাৰ আৰু সামাজিক প্ৰস্থিতি প্ৰদানত বিশ্বাসী।
- ধর্মনিৰপেক্ষতা হ'ল সেইটো নীতি যিটোৱে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰা ব্যক্তিক ধর্মীয় অনুষ্ঠানৰ প্ৰভাৱৰ পৰা পৃথক কৰাৰ কথা কয়।
- ধর্মনিৰপেক্ষতা হ'ল সেইটো নীতি যিটোৱে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰক

প্ৰতিনিধিত্ব কৰা ব্যক্তিক ধর্মীয় অনুষ্ঠানৰ প্ৰভাৱৰ পৰা পৃথক কৰাৰ কথা কয়। ধর্মনিৰপেক্ষতাৰ এটা অর্থই মানুহৰ ধর্মীয় নীতি-নিয়ম আৰু শিক্ষাৰ পৰা নিজকে মুক্ত কৰিবলৈ থকা অধিকাৰৰ কথা বুজায়। ধর্মনিৰপেক্ষতা মানে হ''ল বিশ্বাসকেন্দ্রিক বিষয়বোৰত ৰাষ্ট্রই গ্রহণ কৰা নিৰপেক্ষ নীতি। এনে দেশৰ চৰকাৰে নিজৰ নাগৰিকক ধর্ম আৰু ধর্মীয় অনুশীলন বলপূর্বক জাপি নিদিয়ে।

- ধর্মনিৰপেক্ষতাবাদে জন লক, থ'মাচ জেফার্চন, ৰেবাৰ, পিটাৰ বার্জাৰ আদিৰ দৰে গ্রীক আৰু ৰোমান দার্শনিকসকলৰ পৰা মূলতঃ ইয়াৰ বৌদ্ধিক ভেটিটো গঢ়ি তুলিছে।
- ধর্মনিৰপেক্ষতাৰ পশ্চিমীয়া আর্হিটো হ'ল এটা অতি গৰুত্বপূর্ণ সংস্থাপিত উদাৰবাদী দৃষ্টিভংগী (Classical liberal view)। এই আর্হিটোৰ মতে মানুহৰ বিভিন্ন ধৰণৰ মূল্যবোধ থাকিব পাৰে। ৰাষ্ট্রই কোনো এটা বিশেষ ধাৰণাৰ পোষকতা অথবা সুৰক্ষা প্রদান কৰা অনুচিত।
- ভাৰতীয় ধর্মনিৰপেক্ষতা হ'ল দুর্বলভাৱে সংজ্ঞাৱদ্ধ বিভ্রান্তি সৃষ্টিকাৰী এমুঠিমান ধাৰণাৰ সমষ্টি। এই ধাৰণাবোৰ মূলতঃ কিছুমান অশুদ্ধ ধাৰণা।
- ভাৰতীয় ধর্মনিৰপেক্ষতা আর্হিটো পশ্চিমীয়া ধর্মনিৰপেক্ষতা আর্হিটোতকৈ মৌলিকভাৱে পৃথক।
- লিখিত সংবিধানে ভাৰতক এখন ধমৰ্নিৰপেক্ষ ৰাষ্ট্রত পৰিণত কৰিছে। সংবিধানৰ এই ঘোষণাক সন্মান জনোৱাটো প্রতিগৰাকী ভাৰতীয়ৰে কর্তব্য।
- সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ সময়ত প্রস্তাৱনাত 'ধর্মনিৰপেক্ষ' শব্দটো যোগ দিয়া হৈছিল।



১৩.১০ অধিক জানিবলৈ

1. Ahuja.Ram(2009): Society in India : Concepts, theories and recent Trends, Rawat Publications
2. Paul.K.C, Chakravarty.Adyanath, Paul.Nita (2011): Indian Constitution, Rupalim Prakashan,guwahati
3. Joskowicz,Ari and Katz.B.Ethan,Secularism in question,Jews and Judaism in modern times(2015)
4. Thapar.Romila(2015): What Secularism is and where it Needs to be Headed



১৩.১১ অগ্ৰগতিৰ খতিয়ান

১। ধর্মনিৰপেক্ষতাবাদে এই কথা বিশ্বাস কৰে যে ধর্মই চৰকাৰ শিক্ষা নাইবা সমাজৰ আন কোনো ৰাজহুৱা দিশতেই কোনো ভূমিকা পালন কৰিব নালাগে।

২। পক্ষপাতিত্বহীনতা

৩। ধর্মনিৰপেক্ষতা হ'ল সেইটো নীতি যিটোৱে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰক প্ৰতিনিধিত্ব কৰা ব্যক্তিক ধর্মীয় অনুষ্ঠানৰ প্ৰভাৱৰ পৰা পৃথক কৰাৰ কথা কয়। ধর্মনিৰপেক্ষতাৰ এটা অর্থই মানুহৰ ধর্মীয় নীতি-নিয়ম আৰু শিক্ষাৰ পৰা নিজকে মুক্ত কৰিবলৈ থকা অধিকাৰৰ কথা বুজায়। ধর্মনিৰপেক্ষতা মানে হ''ল বিশ্বাসকেন্দ্ৰিক বিষয়বোৰত ৰাষ্ট্ৰই গ্ৰহণ কৰা নিৰপেক্ষ নীতি। এনে দেশৰ চৰকাৰে নিজৰ নাগৰিকক ধর্ম আৰু ধর্মীয় অনুশীলন বলপূৰ্বক জাপি নিদিয়ে। ধর্ম নিৰপেক্ষতাবাদৰ আন এক অর্থত এই মত পোষণ কৰে যে ৰাজহুৱা কার্যকলাপ আৰু সিদ্ধান্তবোৰ, বিশেষকৈ ৰাজনৈতিক সিদ্ধান্তবোৰ সকলো ধৰণৰ ধর্মীয় বিশ্বাস অথবা অনুশীলনৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা উচিত।

৪। ধর্মনিৰপেক্ষতাবাদে জন লক, থ'মাচ জেফার্চন, ৰেবাৰ, পিটাৰ বার্জাৰ আদিৰ দৰে গ্ৰীক আৰু ৰোমান দার্শনিকসকলৰ পৰা মূলতঃ ইয়াৰ বৌদ্ধিক ভেটিটো গঢ়ি তুলিছে।

৫। পিটাৰ বার্জাৰৰ মতে ধর্ম নিৰপেক্ষতা হ'ল এনে এটা প্ৰক্ৰিয়া যিটোৰ দ্বাৰা সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰ দুখনক ধর্মীয় অনুষ্ঠান তথাপ্ৰতীকৰ আধিপত্যৰ পৰা আঁতৰাই ৰখা হয়।

৬। ধর্মনিৰপেক্ষতাৰ ভাৰতীয় আৰ্হি আৰু ধর্মনিৰপেক্ষতাৰ পশ্চিমীয়া আৰ্হি।

৭। (ক) শুদ্ধ, (খ) শুদ্ধ, (গ) অশুদ্ধ (ঘ) শুদ্ধ

৮। লিখিত সংবিধানে ভাৰতক এখন ধমৰ্নিৰপেক্ষ ৰাষ্ট্ৰত পৰিণত কৰিছে। সংবিধানৰ এই ঘোষণাক সন্মান জনোৱাটো প্ৰতিগৰাকী ভাৰতীয়ৰে কর্তব্য।

সমাজভেদে ধর্মনিৰপেক্ষতাৰ ৰূপ বেলেগ বেলেগ। ভাৰতে অৱশ্যে ধর্মৰ পৰম্পৰাগত কার্য্যৱলী সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব পৰা বৈচিত্ৰ্যময় ধর্মনিৰপেক্ষ অনুষ্ঠান গঢ় দিয়াৰ ক্ষেত্ৰত ব্যর্থতাৰ পৰিচয় দিছে।

৯। ৪২ সংখ্যক।

১০। সামাজিক কার্যকলাপৰ বিভিন্ন ক্ষেত্ৰত ধর্মই নিয়ন্ত্ৰণ হেৰুওৱাৰ বাবে ধর্ম নিৰপেক্ষতাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। সময় বাগৰাৰ লগে লগে অর্থনীতি, ব্যৱসায়-বাণিজ্য, শিক্ষা, চিকিৎসা আদি ক্ষেত্ৰত ধর্মৰ আধিপত্য নাইকিয়া হৈছিল।



১৩.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন-

(১) ধর্মনিৰপেক্ষতাই সমাজৰ কি কি উপাদানক পৃথক কৰে?

(২) 'Secularism' শব্দটোৰ কিহৰ পৰা উৎপত্তি হৈছে?

(৩) 'Secularism' অভিধাটোৰ জনক কোন?

(৪) কোনে ধর্মনিৰপেক্ষতাক যুক্তিসংগত কৰণ প্ৰক্ৰিয়া বুলি বিবেচনা কৰিছিল?

(৫) ধর্মনিৰপেক্ষতাবাদে ভাৰতক কি কথাত মনোনিৱেশ কৰাত সহায় কৰিছে?

(খ) চুটি প্ৰশ্ন (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) ধর্মনিৰপেক্ষতাবাদে কেনেদৰে প্ৰতিটো ধর্মৰেপ্ৰতিজন লোককেই সমান অধিকাৰ আৰু সমান সামাজিক প্ৰস্থিতি প্ৰদান কৰিব পাৰে?

(২) ধর্মনিৰপেক্ষতা কি? ব্যাখ্যা কৰক।

(৩) 'নেহৰুই ভাৰতত এখন ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল'-উক্তিটো ব্যাখ্যা কৰক।

(৪) ধর্মনিৰপেক্ষ ৰাষ্ট্ৰ সন্দর্ভত ভেংকটৰমনৰ দৃষ্টিভংগী কি আছিল?

(গ) চমুটোকা লিখক (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

(১) হোলিঅ'কিৰ ধর্মনিৰপেক্ষতাবাদ

(২) ধর্মনিৰপেক্ষতাবাদৰ পশ্চিমীয়া আৰ্হি

(৩) ধর্মনিৰপেক্ষতাবাদৰ ভাৰতীয় আৰ্হি

(৪) এখন ধর্মনিৰপেক্ষ দেশ ৰূপে ভাৰত

(ঘ) ৰচনাধর্মী প্ৰশ্ন ঃ (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত) কৰিব।

(১) ধর্ম আৰু ধর্মনিৰপেক্ষতাৰ মাজৰ সম্পর্ক আলোচনা কৰক।

(২) ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত কেনেদৰে 'ধর্মনিৰপেক্ষ' শব্দটি অন্তর্ভুক্ত কৰা হৈছে? ব্যাখ্যা কৰক।

(৩) ভাৰতীয় ধর্মনিৰপেক্ষতাৰ আৰ্হিটো পশ্চিমীয়া আৰ্হিতকৈ কিহত পৃথক? বর্ণনা কৰক।

(৪) ধর্মনিৰপেক্ষতা বিষয়ক দৃষ্টিভংগী আগবঢ়োৱা কেইগৰাকীমান দার্শনিকৰ নাম লিখক। প্ৰকৃত ৰাজনীতিত তেওঁলোকৰ দৃষ্টিভংগীবোৰ গ্ৰহণযোগ্যআৰু প্ৰয়োগ সাধ্যনে?

****